NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-06-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লোকসভা নিৰ্বাচনত দেশৰ সংবিধান আৰু গণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰতি পুনৰ আস্থা প্ৰকাশ কৰাৰ বাবে জনসাধাৰণৰ শলাগ লৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভাৰ্চুৱেল ব্যৱস্থাৰে দেশৰ প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডুৰ জীৱন আৰু কৰ্ম সামৰি ৰচনা কৰা তিনিখন গ্ৰন্থ উন্মোচন কৰে।

৩। জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে আজি নতুন দিল্লীত দেশৰ পৰৱৰ্তী সেনা মুৰববী হিচাপে দায়িত্ব গ্ৰহণ কৰিছে।

৪। কেন্দ্ৰীয় অনুসন্ধান সংস্থা চি বি আয়ে আজি নীট ইউ জি পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱা অভিযোগ সন্দৰ্ভত অভিযুক্তক বিহাৰৰ পাটনাৰ মুখ্য কাৰাগাৰত জেৰা কৰে।

***আৰু***

৫। মহিলা ক্ৰিকেটত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ টেষ্ট খেলখনৰ আজি তৃতীয় দিনা ভাৰতীয় স্পীনাৰ স্নেহ ৰানাই ৮টা উইকেট দখল কৰি ইতিহাস ৰচনা কৰে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লোকসভা নিৰ্বাচনত দেশৰ সংবিধান আৰু গণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰতি পুনৰ আস্থা প্ৰকাশ কৰাৰ বাবে জনসাধাৰণৰ শলাগ লৈছে। আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি আজি ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দি শ্ৰীমোদীয়ে কয় যে, চলিত বৰ্ষৰ সাধাৰণ নিৰ্বাচন বিশ্বৰ সৰ্ববৃহৎ নিৰ্বাচনৰূপে পৰিগণিত হৈছে আৰু এইবাৰৰ লোকসভা নিৰ্বাচনত ৬৫ কোটি লোকে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে।

প্ৰধানমন্ত্ৰীয়ে কয় যে, ৩০ জুন এটা গুৰুত্বপূৰ্ণ দিন কিয়নো এই দিনটোতে হুল দিৱস পালন কৰা হয়। তেওঁ কয় যে এই দিৱস বৃটিছ শাসকসকলৰ আতিশয্যৰ বিৰোধিতা কৰা ঝাৰখণ্ডৰ সন্তান সিদ্ধো আৰু কানহুৰ অদম্য সাহসৰ সৈতে জড়িত। এইবেলি বিশ্ব পৰিবেশ দিৱস উপলক্ষে আৰম্ভ কৰা **এক পেড় মা কে নাম** নামৰ বিশেষ অভিযানৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে সমগ্ৰ বিশ্বৰে জনসাধাৰণক মাতৃৰ সৈতে এটি গছপুলি ৰোপণ কৰিবলৈ অথবা এটি পুলি মাৰ নামত উৎসৰ্গা কৰিবলৈ আহ্বান জনাইছে। শ্ৰীমোদীয়ে কয় যে, ভাৰতত যোৱা দশকত বনভূমিৰ অভূতপূৰ্ব সম্প্ৰসাৰণ পৰিলক্ষিত হৈছে। তেওঁ কয় যে, অমৃত মহোৎসৱৰ সময়ত সমগ্ৰ দেশত ৬০ হাজাৰৰো অধিক অমৃত সৰোবৰ বিকশাই তোলা হৈছে।

প্ৰধানমন্ত্ৰীয়ে কেৰালাত নিৰ্মাণ কৰা কাৰথুম্বি নামৰ ৰং বিৰঙৰ ছাতিৰ প্ৰসংগ উল্লেখ কৰি এই সন্দৰ্ভত কেৰালাৰ জনজাতীয় মহিলাসকলৰ প্ৰশংসা কৰে আৰু বিশ্বৰ বিভিন্ন প্ৰান্তত এই ছাতিৰ বৰ্ধিত চাহিদাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। ভোকেল ফৰ লোকেল অৰ্থাৎ স্থানীয় সামগ্ৰীৰ পোষকতা কৰাৰ ইয়াতকৈ ভাল উদাহৰণ একোৱেই হ'ব নোৱাৰে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে এইবাৰৰ মন কী বাতত অন্ধ্ৰপ্ৰদেশৰ অল্লুৰী সীতাৰাম ৰাজু জিলাত উৎপাদিত অৰাকু কফি তথা জম্মু কাশ্মীৰৰ স্নোপিজ নামৰ বিশেষ মটৰ মাহৰ কথাও উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে hastag my prouducts my pride ৰ জৰিয়তে এনেধৰণৰ সামগ্ৰীৰ বিৰৰণ আগবঢ়াবলৈ শ্ৰোতাসকলৰ প্ৰতি আহ্বান জনায়। কুৱেইট চৰকাৰে ৰাষ্ট্ৰীয় ৰেডিঅ'ত  হিন্দী ভাষাত বিশেষ অনুষ্ঠান আৰম্ভ কৰা বুলি প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

যোগ সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে কয় যে, সমগ্ৰ বিশ্বই দশম আন্তৰাষ্ট্ৰীয় যোগ দিৱস অতি উৎসাহেৰে পালন কৰিছে। তেওঁ চৌদি আৰব, ইজিপ্ত, বাহৰেন আৰু ভূটানত যোগ দিৱস পালন তথা যোগাভ্যাসৰ অগ্ৰগতি সন্দৰ্ভত আলোকপাত কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে অহা মাহত আৰম্ভ হ'বলগীয়া পেৰিছ অলিম্পিকৰ কথা উল্লেখ কৰে। তেওঁ অলিম্পিকত অংশগ্ৰহণ কৰিবলগীয়া ভাৰতীয় দলটোক শুভেচ্ছা জ্ঞাপন কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে সমাগত পেৰিছ অলিম্পিকতো ভাল প্ৰদৰ্শন দেখিবলৈ পাব বুলি আশা প্ৰকাশ কৰে।

তেওঁ জনসাধাৰণক #Cheer 4 Bharat ত ভাৰতীয় দলটোক উৎসাহ দিবলৈ আহ্বান জনায়।

প্ৰধানমন্ত্ৰী মোদীয়ে আকাশবাণীৰ সংস্কৃত বুলেটিন সম্প্ৰচাৰৰ আজি ৫০ বছৰ পূৰ্ণ হোৱাৰ বাবে আকাশবাণীৰ পৰিয়ালক শুভেচ্ছা জ্ঞাপন কৰে।

শ্ৰীমোদীয়ে এটা সপ্তাহৰ পাছত আৰম্ভ হব লগা পুৰীৰ জগন্নাথ ৰথযাত্ৰাৰ কথা উল্লেখ কৰি ভগৱান জগন্নাথে দেশাসীক সদায়ে আশীৰ্বাদ দি থাকিব বুলি আশা প্ৰকাশ কৰে। তেঁও অমৰনাথ যাত্ৰা আৰু পন্ধাৰপুৰৱাৰীত অংশ লোৱা তীৰ্থযাত্ৰীসকলক শুভেচ্ছা জ্ঞাপন কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে মন কী বাতৰ জৰিয়তে জনসাধাৰণৰ সৈতে সংযুক্ত হৈ থাকিবলৈ পাই সন্তুষ্টি প্ৰকাশ কৰে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভাৰ্চুৱেল ব্যৱস্থাৰে দেশৰ প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডুৰ জীৱন আৰু কৰ্ম সামৰি ৰচনা কৰা তিনিখন গ্ৰন্থ উন্মোচন কৰে। শ্ৰীনাইডুৰ ৭৫ বছৰীয়া জন্মদিনৰ সৈতে সংগতি ৰাখি এই গ্ৰন্থ তিনিখন উন্মোচন কৰা হয়। হায়দৰাবাদৰ গাছিবউলিৰ অন্বয়া প্ৰক্ষাগৃহত এই উপলক্ষে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। গ্ৰন্থকেইখন উন্মোচন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ভেংকয়া নাইডুৱে কাইলৈ ৭৫ বছৰ সম্পূৰ্ণ কৰিব।  এই ৭৫ বছৰত তেওঁ দেশৰ ৰাজনীতিৰ বহু উত্থান-পতনৰ সাক্ষী হৈছে। উল্লেখযোগ্য যে, আজি উন্মোচন কৰা এখন গ্ৰন্থ হৈছে ভেংকায়া নাইডুৰ আত্মজীৱনীমূলক গ্ৰন্থ। তিনিওখন গ্ৰন্থ মুকলি কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে আনন্দ প্ৰকাশ কৰি কয় যে, এই গ্ৰন্থসমূহ জাতিৰ বাবে পথেয় হৈ ৰোৱাৰ লগতে জনসাধাৰণৰ বাবে প্ৰেৰণাৰ উৎস হ'ব।

oooooooo

জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে আজি নতুন দিল্লীত  দেশৰ পৰৱৰ্তী সেনা মুৰববী হিচাপে দায়িত্ব গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে, ১৯৬৪ চনৰ ১ জুলাইত জন্মগ্ৰহণ কৰা জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে ১৯৮৪ চনৰ ১৫ ডিচেম্বৰত

ভাৰতীয় সেনাত নিযুক্তি লাভ কৰিছিল। ৪০ বছৰীয়া এই অভিজ্ঞতাপুষ্ট সময়ছোৱাত তেওঁ সেনাবাহিনীৰ বিভিন্ন পদত কাৰ্যনিৰ্বাহ কৰি আহিছে। ২০২২ চনৰ পৰা ২০২৪ চনলৈকে লেফেটেনেণ্ট জেনেৰেল হিচাপে তেওঁ সেনাৰ দায়িত্ব পালন কৰিছিল। ৰেৱাৰ সৈনিক স্কুলত স্কুলীয়া জীৱন সাং কৰাৰ পিছত নেচনেল ডিফেন্স কলেজত কলেজীয়া শিক্ষা গ্ৰহণ কৰে। সেনা বিষয়াগৰাকীয়ে পৰৱৰ্তী সময়ত প্ৰতিৰক্ষা আৰু ব্যৱস্থাপনা বিভাগত এম ফিল তথা কৌশলগত অধ্যয়ন আৰু প্ৰতিৰক্ষা বিজ্ঞান স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল।

০০০০০০০০

কেন্দ্ৰীয় অনুসন্ধান সংস্থা চি বি আয়ে আজি নীট ইউ জি পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱা অভিযোগ সন্দৰ্ভত অভিযুক্তক বিহাৰৰ পাটনাৰ বিউৰ মুখ্য কাৰাগাৰত জেৰা কৰে। এই সন্দৰ্ভত সংস্থাটোৱে আজি একেৰাহে দ্বিতীয় দিনৰ বাবে জেৰা অব্যাহত ৰাখে। উল্লেখযোগ্য যে নীট ইউ জিৰ প্ৰশ্নকাকত ফাদিল হোৱা সন্দৰ্ভত চি বি আয়ে এতিয়ালৈ বিহাৰ আৰু ঝাৰখণ্ডৰ পৰা ৫জন লোকক গ্ৰেপ্তাৰ কৰিছে। তদুপৰি সংস্থাটোৱে আন ১৩ গৰাকী অভিযুক্তক বিউৰ কাৰাগাৰত জেৰা কৰি আছে। এই লোক কেইজনক পূৰ্বে বিহাৰ আৰক্ষীৰ বিত্তীয় অপৰাধ গোটে গ্ৰেপ্তাৰ কৰিছিল। বিত্তীয় অপৰাধ গোটে যোৱা ২৪ জুনত গোচৰটো চি বি আইলৈ হস্তান্তৰ কৰে।

০০০০০০০০

আকাশবাণী বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্‌লিক স্পীকত কাইলৈ নিশা চাৰে ন বজাত **প্ৰধানমন্ত্ৰী আবাস যোজনাই সকলোৰে বাসগৃহৰ সপোন পূৰ কৰা** সন্দৰ্ভত গ্ৰামীন বিকাশ মন্ত্ৰ্যালয়ৰ উপসঞ্চালক প্ৰধান গয়া প্ৰসাদ আৰু গৃহনিৰ্মাণ তথা নগৰ পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ যুটীয়া সচিব কুলদীপ নাৰায়ণৰ সৈতে হোৱা এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি **প্ৰধানমন্ত্ৰী আবাস যোজনা** সম্পৰ্কে বিষয়া দুৰাকীক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেৱছাইট newson air.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান প্ৰচাৰ হব।

০০০০০০০০

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত কাইলৈ বিভিন্ন কাৰ্যসূচীৰ লগতে **উত্তৰ পূৰ্বাঞ্চলৰ বিকাশ গাথা** শীৰ্ষক এখন আলোচনাচক্ৰৰ আয়োজন কৰা হৈছে। আলোচনাচক্ৰত নেডফিৰ কাৰ্যবাহী সঞ্চালক এছ্ কে বৰুৱা, লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰিবেশ আৰু বহনক্ষমতা শাখাৰ মুৰববী সিদ্ধাৰ্থ ফুকন, ভাৰতীয় আৰক্ষী সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা আৰক্ষীৰ অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বিভাগৰ সঞ্চালক প্ৰধান প্ৰদীপ কুমাৰ, এইমছ্ গুৱাহাটীৰ কাৰ্যবাহী সঞ্চালক ডাঃ অশোক পুৰাণিক অতিথি হিচাপে উপস্থিত থাকিব। গুৱাহাটীস্থিত পি আই বিৰ অতিৰিক্ত সঞ্চালক প্ৰধান জেন নামছুয়ে আলোচনাৰ আঁত ধৰিব। কাইলৈৰ অনুষ্ঠানত আকাশবাণীৰ বাতৰি বিভাগে আয়োজন কৰা বাতৰি পঢ়া প্ৰতিযোগিতাৰ বিজয়ীসকলৰ নাম ঘোষণা কৰাৰ লগতে পুৰস্কৃত কৰা হব।

০০০০০০০০

মহিলা ক্ৰিকেটত চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ টেষ্ট খেলখনৰ আজি তৃতীয় দিনা ভাৰতীয় স্পীনাৰ স্নেহ ৰানাই ৮টা উইকেট দখল কৰি ইতিহাস ৰচনা কৰে।  স্নেহ ৰানা আৰু দীপ্তি শৰ্মাৰ সুন্দৰ প্ৰদৰ্শনৰ জৰিয়তে খেলখনত ভাৰত জয়ৰ দিশে আগবাঢ়িছে। দক্ষিণ আফ্ৰিকাই প্ৰথম ইনিংছত ২৬৪ ৰানহে কৰিবলৈ সক্ষম হয়। ভাৰতৰ হৈ দিপ্তী শৰ্মাই বাকী দুটা উইকেট দখল কৰে। দক্ষিণ আফ্ৰকাই দ্বিতীয় ইনিংছ আৰম্ভ কৰি  দিনৰ শেষত দুটা উইকেট হেৰুৱাই ২৩২ ৰান কৰি খেলি আছে।

00000000

ভাৰতৰ জ্যোতি য়াৰ্ৰাজীয়ে আজি পঞ্চকুলাত আয়োজিত ৰাষ্ট্ৰীয় আন্তঃৰাজ্যিক ছিনিয়ৰ এথলেটিক্‌ছ প্ৰতিযোগিতাৰ মহিলাৰ ১০০ মিটাৰ হাৰ্ডলছত সোণৰ পদক অৰ্জন কৰে। খেলুৱৈগৰাকীয়ে ১৩ মিনিট ৬ ছেকেণ্ডত নিৰ্ধাৰিত দূৰত্ব অতিক্ৰম কৰে। আনহাতে পুৰুষৰ ১১০ মিটাৰ হাৰ্ডলছত তেজছ্ শীৰ্ষে ১৩ মিনিট ৫৪ ছেকেণ্ডত নিৰ্দিষ্ট দূৰত্ব অতিক্ৰম কৰি সোণৰ পদক অৰ্জন কৰে। দুয়োগৰাকী খেলুৱৈয়ে পেৰিছ অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰাৰ সম্ভাৱনা আছে।

00000000

সমাপ্ত